# Regional News Unit

AKASHVANI, Guwahati

**Date : 10-08**-2025

**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

-------------------

১। বিটিআৰত বিজেপিৰ সাংগঠনিক ভেটি সবল কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বাক্সা জিলাত কেইবাখনো বিজয় সংকল্প সভাত অংশগ্ৰহণ।

২। উৰিয়ামঘাটৰ দখলমুক্ত ভূমিত অহা ২৩ ছেপ্তেম্বৰ পৰ্যন্ত বন বিভাগৰ গছপুলি ৰোপণ কাৰ্যসূচী।

৩। গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত সমাগত স্বাধীনতা দিৱস উপলক্ষে কটকটীয়া নিৰাপত্তা ব্যৱস্থা।

৪। অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃত আৰু ধ্ৰুপদী হিন্দী বিষয়ত সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰা প্ৰথম অসমীয়া হিচাপে গুৱাহাটীৰ অৰণী এছ হাজৰিকাৰ বিৰল কৃতিত্ব।

আৰু

৫। গুৱাহাটীৰ ছ ছলৰ টেনিছ প্ৰকল্পত কাইলৈৰ পৰা অইল-আইটা ছুপাৰ চিৰিজ টেনিছ প্ৰতিযোগিতাৰ মূল ৰাউণ্ডৰ খেল।

OOOO

বিটিচি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পৰিষদৰ অন্তৰ্গত অঞ্চলসমূহত বিজেপিৰ সাংগঠনিক ভেটি সবল কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বাক্সা জিলাৰ বাদুলীপাৰা আৰু দিহিৰাত বিজয় সংকল্প সভাত অংশ লয়। ড০ শৰ্মাই বি টি আৰত বিগত চাৰি বছৰত শান্তি-সম্প্ৰীতি বিৰাজ কৰিছে বুলি উল্লেখ কৰি অঞ্চলটোত বিজেপি চৰকাৰ গঠন হ'লে সকলো নাগৰিককে প্ৰথম শ্ৰেণীৰ নাগৰিক হিচাপে গঢ়ি তোলা হ'ব বুলি উল্লেখ কৰে। এই সভাত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বিধায়ক ফণীধৰ তালুকদাৰকে ধৰি বিজেপিৰ কেইবাগৰাকী দলীয় নেতাই অংশগ্ৰহণ কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি বাক্সা জিলাৰ ভলুকামুৰীত এখন পকী দলং উদ্বোধন কৰে। ডেকাদং নৈৰ ওপৰত নিৰ্মাণ কৰা ভলুকামুৰী আৰু জৰাবাৰী সংযোগী এই নৱনিৰ্মিত দলংখনে জিলাখনৰ যাতায়াত ব্যৱস্থা উন্নয়নৰ দিশত বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। দলং উদ্বোধনী কাৰ্যসূচীত মুখ্যমন্ত্ৰীগৰাকীক বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম আৰু পাৰিষদ মণ্টু বৰুৱাই সংগ দিয়ে।

OOOO

**উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত ভূমিক পুনৰ সেউজ কৰি তোলাৰ লক্ষ্যৰে সোণাৰী বিলত বন বিভাগৰ উদ্যোগত কালিৰে পৰা গছপুলি ৰোপণ কৰা হৈছে। কালি ১৫ হাজাৰ উৰিয়াম গছৰ পুলি ৰোপণ কৰা হয়। বনানিকৰণৰ জৰিয়তে বনাঞ্চলৰ ভূমি ৰক্ষা কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰে সকলোকে আহ্বান জনাইছে। উল্লেখযোগ্য যে, যোৱা ৩০ জুলাইৰ পৰা চলি থকা এই উচ্ছেদ অভিযানত অঞ্চলটোৰ ১০ হাজাৰ বিঘাৰো অধিক ভূমি দখলমুক্ত কৰা হৈছিল। সোণাৰি বিলত আৰম্ভ কৰা এই গছপুলি ৰোপণ অভিযান অন্যান্য উচ্ছেদিত ভূমিলৈও সম্প্ৰসাৰণ কৰা হ'ব বুলি বন বিভাগে প্ৰকাশ কৰিছে। বনবিভাগে লগতে দখলমুক্ত কৰা অঞ্চলসমূহত ২৩ ছেপ্টেম্বৰ পৰ্যন্ত গছপুলি ৰোপণ কাৰ্যসূচী চলি থাকিব বুলিও জনাইছে।**

OOOOO

৭৯ সংখ্যক স্বাধীনতা দিৱসৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ আসন্ন অসম ভ্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ ঘাটিত ড্ৰোণেৰে আক্ৰমণ কৰাৰ পাছতেই মহানগৰ আৰক্ষীয়ে ব্যাপক সতৰ্কতা অৱলম্বন কৰিছে। শান্তিপূৰ্ণভাৱে স্বাধীনতা দিৱস উদযাপন কৰাৰ বাবে আৰক্ষী-নিৰাপত্তাৰক্ষীয়ে কটকটীয়া নিৰাপত্তা বেষ্টনি গঢ়ি তুলিছে। মহানগৰীত আলফা স্বাধীনে কূটাঘাটমূলক কাৰ্য সংঘটিত কৰিব পাৰে বুলি চোৰাংচোৱা সংস্থাই মহানগৰ আৰক্ষীক তথ্য যোগান ধৰাৰ পাছতে আৰক্ষীৰ শীৰ্ষ বিষয়াসকলে কেইবাখনো বৈঠকত নিৰাপত্তা ব্যৱস্থা সম্পৰ্কত আলোচনা কৰে। ইয়াৰ লগতে এনে কূটাঘাটমূলক কাৰ্য ৰোধ কৰাৰ বাবে মহানগৰীৰ চৌদিশে নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। মহানগৰ আৰক্ষী, অৰ্ধ সামৰিক বাহিনী প্ৰতি মুহূৰ্ততে সষ্টম হৈ থাকিবলৈ কোৱাৰ লগতে তালাচী অভিযান আৰু নৈশ তহল বৃদ্ধি কৰা হৈছে। উল্লেখযোগ্য যে, কামৰূপ মহানগৰ জিলা প্ৰশাসনে পূৰ্বৰ দৰে এইবাৰো খানাপাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে স্বাধীনতা দিৱস আয়োজন কৰিছে। অসম আৰক্ষীত নতুনকৈ অন্তৰ্ভুক্ত হোৱা কেইবাটাও নিৰাপত্তা বাহিনীৰ গোটে এই পেৰেডত অংশগ্ৰহণ কৰাৰ বাবে পূৰ্ণ প্ৰস্তুতি চলাইছে।

০০০০

সমাগত স্বাধীনতা দিৱসৰ পূৰ্বে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ত্ৰিৰংগ যাত্ৰা উলিওৱা হৈছে। বিশ্বনাথ জিলাত আজি বিশ্বনাথ সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বিহালীৰ বিধায়ক দিগন্ত ঘাটোৱাল, সাকোমাথা মণ্ডল বিজেপিৰ সভাপতি ৰঞ্জন ৰাউতিয়াকে ধৰি প্ৰায় তিনি শতাধিক লোকে এই ত্ৰিৰংগ যাত্ৰাত অংশ লয়। ডিব্ৰুগড় জিলাতো আজি মন্ত্ৰী তথা স্থানীয় বিধায়ক প্ৰশান্ত ফুকনৰ নেতৃত্বত ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়। ডিব্ৰুগড় পশ্চিম মণ্ডল বিজেপিৰ উদ্যোগত উলিওৱা এই ত্ৰিৰংগ যাত্ৰাত বহুসংখ্যক লোকে দেশপ্ৰেমমূলক ধবনি আৰু শ্ল'গানে দি শোভাযাত্ৰা কৰে।

০০০০

দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি আজি পুৱা কাম্য নামৰ স্বেচ্ছাসেৱী সংগঠনটোৱে সৰুসজাই ষ্টেডিয়ামত এটা মটৰ চাইকেল ৰেলী উলিয়ায়। অপাৰেছন সিন্দূৰক শক্তিশালী নেতৃত্ব প্ৰদান কৰা সেনা বাহিনীৰ দুগৰাকী বিৰাঙ্গনা কৰ্ণেল ছোফিয়া কুৰেশ্বী আৰু উইং কমাণ্ডাৰ ভৌমিকা সিঙৰ লগতে দেশ সেৱাত নিয়োজিত হৈ থকা প্ৰতিগৰাকী বীৰাঙ্গনালৈ সন্মান প্ৰদৰ্শন কৰি এই ৰেলীৰ আয়োজন কৰা হয়। প্ৰাক্তন সাংসদ কুইন ওজা আৰু জ্যেষ্ঠ সাংবাদিক প্ৰণয় বৰদলৈয়ে পতাকা জোকাৰি শুভাৰম্ভ কৰা ছেল্যুত বীৰাঙ্গনা শীৰ্ষক এই মটৰ চাইকেল ৰেলীটোত অসম ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষ আঙুৰলতা ডেকাৰ লগতে শতাধিক মহিলাই অংশ লয়। উল্লেখযোগ্য যে সৰুসজাই ষ্টেডিয়ামৰ পৰা বেহাৰবাৰী -লখৰা- আই এছ বি টি হৈ পুনৰ সৰুসজাইত সমাপ্ত হোৱা ৰেলীটোত অসম গৌৰৱ মীনাক্ষী দাসেও অংশ লয়।

০০০০

গুৱাহাটী মহানগৰৰ বামুণীমৈদাম নিবাসী অৰণী এছ হাজৰিকাই ইংলেণ্ডৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃত আৰু ধ্ৰুপদী হিন্দী বিষয়ত সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰা প্ৰথম অসমীয়া হিচাপে বিৰল কৃতিত্ব অৰ্জন কৰিছে। অৰণীয়ে বেলিঅল মহাবিদ্যালয়ত এছিয়' আৰু মধ্যপ্ৰাচ্য অধ্যয়ন বিভাগত স্নাতক শিক্ষা গ্ৰহণ কৰিছিল। তেওঁ মাজুলীৰ দক্ষিণপাট সত্ৰৰ ১৫ শতিকাৰ সাঁচিপাতৰ পাণ্ডুলিপিৰ বিষয়ত গৱেষণা কৰিছিল। দি আছাম ট্ৰিবিউন কাকতৰ সহকাৰী সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক, লেখক পাৰ্থপ্ৰতিম হাজৰিকা আৰু কবি সুদক্ষিণা ভূঞাৰ সুযোগ্য সন্তান অৰণী এছ হাজৰিকাৰ এই সাফল্যই ৰাজ্যখনলৈ গৌৰৱ আৰু সন্মান কঢ়িয়াই আনিছে।

০০০০

ৰাজ্য চৰকাৰৰ উদ্যোগত আৰু কামৰূপ জিলা শিক্ষা বিভাগৰ সহযোগত আজি আৰোহণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। **কামৰূপ** জিলাৰ অতিৰিক্ত আয়ুক্ত সুজাতা গগৈয়ে এই শিক্ষামূলক আৰোহণ কাৰ্যসূচী মুকলি কৰে। জিলাখনৰ ২৬৯ খন বিদ্যালয়ৰ ২৬৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই জ্ঞান অন্বেষণ যাত্ৰাত সামৰি লোৱা হৈছে। আজিৰে পৰা অহা ১৩ আগষ্টলৈ

আৰোহণ কাৰ্যসূচীৰ অধীনত আই আই টি গুৱাহাটী, এইম্‌চ গুৱাহাটী, বায়’টেক উদ্যান, শংকৰদেৱ কলাক্ষেত্ৰ, অসম ৰাজ্যিক চিৰিয়াখানা, গুৱাহাটী বিজ্ঞান গৱেষণা কেন্দ্ৰকে ধৰি বিভিন্ন স্থানত জ্ঞান অন্বেষণৰ সুযোগ প্ৰদান কৰা হ’ব।

**হোজাই** জিলাৰ পৰাও আজি আৰোহণ আঁচনিৰ অধীনত জিলাখনৰ বিদ্যালয়সমূহৰ পৰা বাচি উলিওৱা ৬৬ গৰাকী শিক্ষাৰ্থী চাৰিদিনীয়া শিক্ষামূলক ভ্ৰমণৰ বাবে গুৱাহাটীলৈ আহিছে। জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে এই যাত্ৰাৰ শুভাৰম্ভ কৰে। দলটোত জিলা অতিৰিক্ত আয়ুক্ত, আৰক্ষী লোক আৰু চিকিৎসককে ধৰি মুঠ ৮৪ জন লোক আছে। শিক্ষাৰ্থীসকলক গুৱাহাটীৰ শিক্ষা প্ৰতিষ্ঠানৰ লগতে অন্যান্য স্থানসমূহ পৰিভ্ৰমণ কৰাই জ্ঞান অন্বেষণৰ সুযোগ দিয়া হ’ব।

০০০০

যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত আৰু অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ ড্ৰোন দিদি পদক্ষেপৰ সহযোগত জিলাখনৰ কেইবাখনো গাওঁৰ কৃষিভূমিত কীটনাশক দ্ৰব্য প্ৰয়োগ কৰা হয়। উল্লেখযোগ্য যে জিলাখনৰ টিয়ক কৃষিচক্ৰৰ অন্তৰ্গত চাওদাং গাওঁকে প্ৰমুখ্য কৰি বহুকেইখন গাওঁৰ কৃষিভূমিত বিগত কিছুদিন ধৰি শুঁৰ পোকে ধান খেতি অনিষ্ট সাধন কৰি আহিছে। যোৰহাট জিলা কৃষি বিভাগৰ বিষয়া কৰ্মচাৰীসকলে এনে কৃষিভূমিসমূহ পৰিদৰ্শন কৰাৰ লগতে ক্ষয়-ক্ষতিৰ বুজ লৈ কৃষকৰ মাজত কীটনাশক ঔষধ বিতৰণ কৰাৰ লগতে বিভিন্ন সজাগতা সভা অনুষ্ঠিত কৰিছে। লগতে কৃষি বিভাগৰ তৰফৰ পৰা শুঁৰ পোকে ধান খেতি অনিষ্ট কৰা পৰিলক্ষিত হ’লে কৃষি বিভাগক অৱগত কৰিবলৈও আহ্বান জনোৱা হৈছে।

০০০০

ওদালগুৰি জিলাৰ ডিমাকুছি স্বৰ্ণ শাখা সাহিত্য সভাৰ সৌজন্যত আজি বৰঙ্গাজুলিস্থিত শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ বৈকুণ্ঠগামী সত্ৰাধিকাৰ ওদালগুৰি ৰত্ন, ভকত শিৰোমণি হৰেকৃষ্ণ মহন্ত সোৱৰণি সাহিত্য বঁটা সমূহ প্ৰদান কৰা হয়। ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন  সভাপতি গৌৰীশংকৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বঁটা প্ৰদান অনুষ্ঠানত **মধ্যে ৰাত্ৰে বেণু বাজে** উপন্যাসৰ বাবে ঔপন্যাসিক আৰাধনা পতংগীয়া গোস্বামী, লোক সাহিত্য সংস্কৃতিৰ সাধনাৰ বাবে তৰুণ আজাদ ডেকাক আৰু হৰেকৃষ্ণ মহন্ত আতাৰ জীৱন ভিত্তিক এলোন ইন দ্যা কমবেট জ’ন শীৰ্ষক তথ্য চিত্ৰখনৰ নিৰ্মাতা  গোপাল জালানক সাহিত্য বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানৰ মুখ্য উপদেষ্টা থানেশ্বৰ মালাকাৰে অনুষ্ঠানটি উদ্বোধন কৰি ভকত শিৰোমণি হৰেকৃষ্ণ মহন্তৰ জীৱন আৰু কৃতী সন্দৰ্ভত বিস্তৃত ব্যাখা আগবঢ়ায়। তেওঁ কয় যে হৰেকৃষ্ণ মহন্ত আতাই তেতিয়াৰ দিনতে জনজাতীয় লোকৰ মাজত অন্ধ বিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে সজাগতাৰ সৃষ্টি কৰি এখন সুন্দৰ আৰু সুশৃংখলিত সমাজ গঢ়াৰ বাবে আগভাগ লৈছিল। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিত বৰাইও অনুষ্ঠানত উপস্থিত থাকি সাহিত্য সভাৰ গুৰুত্ব সন্দৰ্ভত ভাষণ দাঙি ধৰে।

০০০০০

সদৌ অসম ক্ষুদ্ৰ খেতিয়ক সন্থাৰ মুখপত্ৰ **সেউজ সোণ**ৰ প্ৰথম বৰ্ষৰ দ্বিতীয় সংখ্যাটো আজি যোৰহাটত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। যোৰহাটৰ টোকোলাই চাহ গৱেষণা প্ৰতিষ্ঠানৰ সভকক্ষত  আজি **চাহ উদ্যোগৰ সংকট আৰু প্ৰত্যাৱৰ্তন** শীৰ্ষক এখন  আলোচনা চক্ৰ অনুষ্ঠিত হয়। অনুষ্ঠানত সন্থাৰ সভাপতি ৰাজেন বৰা, ভাৰতীয় চাহ বোৰ্ডৰ উপাধ্যক্ষ তথা ভাৰপ্ৰাপ্ত কাৰ্যবাহী সঞ্চালক অৰুণিতা ফুকন যাদৱৰ লগতে বহুকেইগৰাকী  বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

**ভাৰতৰ মুখ্য ন্যায়াধীশ বি আৰ গাভায়ে কৈছে যে ভাৰতৰ ন্যায়িক ব্যৱস্থা, কাৰ্যপালিকা আৰু বিধানমণ্ডলীয়ে দেশৰ প্ৰতিজন নাগৰিকক ন্যায় প্ৰদান কৰাৰ বাবে সদা-প্ৰস্তুত। ন্যায় ব্যৱস্থাৰ এই গোটেইকেইটা স্তম্ভই সহযোগিতাৰে কাম কৰি যোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি তেওঁ কয়, যে দেশৰ প্ৰতিজন নাগৰিকক ক্ষীপ্ৰভাৱে আৰু কম খৰচত ন্যায় প্ৰদান কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। ইটানগৰৰ নাহৰলগনত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ স্থায়ী শাখাৰ নৱনিৰ্মিত ভৱন আজি উদ্বোধন কৰি তেওঁ এনেদৰে উল্লেখ কৰে। শ্ৰী গাভায়ে কয়, যে স্বাধীনতাৰ পাছৰ যোৱা ৭৫ টা বছৰত বিভিন্ন দিশত অভাৱৰ সন্মুখীন হৈ দেশৰ নাগৰিকসকলে শক্তিশালী ৰূপত একত্ৰিত হৈ দেশক**

**এখন বিকশিত দেশ হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত অগ্ৰসৰ হৈছে। তেওঁ লগতে উত্তৰ-পূৰ্বাঞ্চলক ভাৰতৰ আটাইতকৈ প্ৰয়োজনীয় অঞ্চল হিচাপে অভিহিত কৰি সংবিধানত এই অঞ্চলৰ বাবে থকা বিশেষ ব্যৱস্থাসমূহৰ বিষয়েও উল্লেখ কৰে। একেটা অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজু আৰু অৰ্জন ৰাম মেঘৱালৰ লগতে মুখ্যমন্ত্ৰী প্ৰেমা খান্দু, উপ-মুখ্যমন্ত্ৰী চৌনা মেইনৰ লগতে আন বহুতো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।**

00000

চিৰাং জিলাৰ ঢালিগাঁৱৰ বঙাইগাঁও শোধনাগাৰৰ প্ৰেক্ষাগৃহত আজি খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ আঁচনি সন্দৰ্ভত এখন সজাগতা সন্মিলন অনুষ্ঠিত হয়। সন্মিলনত অংশ লৈ মন্ত্ৰী কৌশিক ৰায়ে অহা অক্টোবৰৰ পৰা ১০ খন জিলাত আৰু নৱেম্বৰৰ পৰা প্ৰতিখন জিলাতে ৰেচন কাৰ্ড থকা হিতাধিকাৰীক সুলভ মূল্যত মচুৰ দাইল, নিমখ আৰু চেনি বিতৰণ কৰা হ'ব বুলি প্ৰকাশ কৰে। জিলাখনৰ সকলো সুলভ মূল্যৰ দোকানী আৰু সমবায় সমিতিৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰা এই অনুষ্ঠানত কিদৰে এই সামগ্ৰীসমূহ সংগ্ৰহ কৰা হ'ব, সেই বিষয়ে বিশদভাৱে আলোচনা কৰা হয়।

00000

**বিহু আৰু ঝুমইৰ বিনন্দিনীক বিশ্ব দৰবাৰত তুলি ধৰাৰ দৰে ৰাজ্য চৰকাৰে অহা নৱেম্বৰৰ শেষৰফালে বড়ো জনগোষ্ঠীৰ প্ৰধান লোকনৃত্য বাগুৰুম্বা পৰিবেশনৰ ব্যৱস্থা কৰিছে। ৰাজ্যৰ বিভিন্ন জিলাৰ ১১ হাজাৰ শিল্পীয়ে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত বাগৰুম্বা নৃত্য পৰিৱেশন কৰিব। ১০ হাজাৰ মহিলা নৃত্যশিল্পী আৰু এহেজাৰ পুৰুষ বাদ্যশিল্পীয়ে পৰিৱেশন কৰিবলগীয়া এই অনুষ্ঠানটোক বাগুৰুম্বা দ'হৌ ৰূপে নামকৰণ কৰা হৈছে। উল্লেখযোগ্য যে, বাগুৰুম্বা নৃত্যক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত তুলি ধৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত আয়োজন কৰিবলৈ লোৱা এই অনুষ্ঠানৰ বাবে অহা দুমাহৰ ভিতৰতে শিল্পী, ওজা, প্ৰশিক্ষক আদি চূড়ান্ত কৰা হ'ব।**

00000

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি মানকাচৰ বাংলাদেশ সীমান্তৱৰ্তী কোক্ৰাডাংগাত খহনীয়া পৰিদৰ্শন কৰে। তেওঁ খহনীয়া প্ৰতিৰোধৰ বাবে অঞ্চলটোত জিঅ' বেগ স্থাপনকে ধৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে জিলাখনত ৰূপায়ণ হোৱা জলজীৱন মিছন আঁচনিৰ দুটা প্ৰকল্পও পৰিদৰ্শন কৰে। তেওঁ লগতে হাটশিঙিমাৰী জিলা প্ৰশাসন আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকতো মিলিত হয়।

0000000

ডিব্ৰুগড় জিলাৰ মোহনাঘাটত আজি এটা নাও দুৰ্ঘটনাৰ পৰা কথমপি যাত্ৰীসকলৰ প্ৰাণ ৰক্ষা পৰে। ব্ৰহ্মপুত্ৰত মাছ মাৰিবলৈ যোৱা নাওখনত পাঁচজন মাছমৰীয়া আছিল। টুলুঙা নাওখন পানীত ডুব যোৱাৰ ক্ষন্তেক পাছতে এছ ডি আৰ এফ বাহিনী ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় লোকৰ সহায়ত নদীৰ পৰা আটাইকেইজন মাছমৰীয়াক উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়।

0000

কাছাৰ জিলা আৰক্ষীয়ে শিলচৰ চহৰত চলোৱা বিশেষ অভিযানত আজি বুজন পৰিমাণৰ ভাং জব্দ কৰে। আৰক্ষীয়ে ত্ৰিপুৰাৰ পৰা অহা এখন বাহনত তালাচী চলাই ৩৬২ কেজি ভাং জব্দ কৰাৰ লগতে এজন লোকক আটক কৰে। আটক কৰা লোকজন ত্ৰিপুৰাৰ প্ৰদীপ ক'ৰ বুলি আৰক্ষীয়ে জনাইছে। জব্দ কৰা মাদকদ্ৰব্যখিনিৰ বজাৰ মূল্য প্ৰায় আঢ়ৈ কোটি টকা বুলি অনুমান কৰা হৈছে।

0000000

সদৌ অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ ছছলৰ টেনিছ প্ৰকল্পত কাইলৈৰ পৰা অইল-আইটা ছুপাৰ চিৰিজ টেনিছ প্ৰতিযোগিতাৰ মূল ৰাউণ্ডৰ খেলসমূহ অনুষ্ঠিত হ'ব। কাইলৈ একক শাখাৰ খেল অনুষ্ঠিত হ'ব। আজি সমাপ্ত হোৱা

প্ৰতিযোগিতাৰ কোৱালিফায়িং ৰাউণ্ডৰ মেচৰ অন্তত ১৪ আৰু ১৬ বছৰ অনুৰ্ধৰ ল'ৰা আৰু ছোৱালীৰ প্ৰটিতো শাখাতে আঠ গৰাকীকৈ মুঠ ৩২ গৰাকী খেলুৱৈয়ে মূল ৰাউণ্ডত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাত দেশৰ ২০ খন ৰাজ্যৰ প্ৰায় ১৮৫ গৰাকী খেলুৱৈয়ে অংশ লৈছে।

০০০০০

সমাপ্ত